*প্ৰেছ বাৰ্তা নং - ৩৫৩/২০২১*

# যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## টীয়কত আউনীআটী বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে হোলোঙাপাৰস্থিত লাচিত মৈদাম পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## যোৰহাট আৱৰ্ত ভৱনত নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ল মুখ্যমন্ত্ৰী ড° শৰ্মা

**দিছপুৰ, ২১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কোম্পানীৰ সামাজিক দায়বদ্ধতা পুঁজিৰ অধীনত অইল ইণ্ডিয়া লিমিটেডে আগবঢ়োৱা ৪.৬৫ কোটি টকা ব্যয়ৰে এই অত্যাধুনিক প্ৰেক্ষাগৃহটো নিৰ্মাণ কৰি উলিওৱা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহে গৱেষণা আৰু উদ্ভাৱনৰ সৈতে নিৰন্তৰভাৱে জড়িত হৈ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ পৰ্যায়ৰ উৎকৃষ্টতা অৰ্জনৰ বাবে চেষ্টা চলাব লাগিব। তেওঁ যুৱ অভিযন্তাসকলক দৈনন্দিন জীৱন যাত্ৰাত উদ্ভাৱনীমূলক চিন্তা-চৰ্চাৰ প্ৰয়োগ ঘটোৱাৰ প্ৰয়াস কৰাৰ লগতে পৰম্পৰাগত ব্যৱস্থাৰ পৰা মুক্ত হোৱাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ আহ্বান জনায়। গৱেষণা আৰু উদ্ভাৱনৰ বাবে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ ২৫ কোটি টকা অনুদান আগবঢ়োৱা হ'ব বুলিও তেওঁ ঘোষণা কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰযুক্তিবিদ্যাই আজি চৰমতম অগ্ৰগতি লাভ কৰিছে আৰু সেয়েহে ৰাজ্যখনৰ নতুন প্ৰজন্মৰ অভিযন্তাসকলে তেওঁলোকৰ দক্ষতা আৰু জ্ঞান উন্নত কৰাৰ বাবে অহৰ্নিশে চেষ্টা অব্যাহত ৰখাৰ লগতে এই ক্ষেত্ৰত শেহতীয়া প্ৰযুক্তিৰ সৈতে খাপ খোৱাৰ প্ৰয়াস কৰিব লাগিব। পথ, দলং আৰু গৃহ নিৰ্মাণৰ ক্ষেত্ৰত এতিয়াও পৰম্পৰাগত পদ্ধতি অনুসৰণ কৰি অহা হৈছে বুলি উল্লেখ কৰি তেওঁ মিতব্যয়ী প্ৰযুক্তি উদ্ভাৱনৰ বাবে অভিযন্তাসকলক আহ্বান জনায়। বিভিন্ন নিৰ্মাণ কাৰ্যত বাঁহৰ দৰে স্থানীয় সম্পদ ব্যৱহাৰৰ সম্ভাৱনাৰ অন্বেষণ কৰিবলৈও তেওঁ অভিযন্তাসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে ৰাজ্যখনৰ অভিযন্তাসকলে দেশৰ বিকাশৰ যাত্ৰাত বৌদ্ধিকভাৱে অৰিহণা যোগোৱাৰ লগতে শেহতীয়া প্ৰযুক্তি উদ্ভাৱনৰ দিশতো প্ৰয়াস কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অহা বছৰৰ পৰা ৰাজ্যখনৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানসমূহৰ খালীপদসমূহ নিয়মীয়াভাৱে পূৰণৰ লগতে শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো সুশৃংখল কৰা হ'ব। তেওঁ যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বাঘজান তৈলক্ষেত্ৰত হোৱা অগ্নিকাণ্ডৰ ঘটনাত প্ৰাণ হেৰুওৱা অৰ্ণৱ কিশোৰ বৰদলৈৰ নামেৰে প্ৰেক্ষাগৃহটোৰ নাম ৰখাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু অইল ইণ্ডিয়া লিমিটেডক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ অনুপম শৰ্মাই নিৰ্মাণ কৰিবলৈ লোৱা প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ কাৰ্যালয় ভৱনৰো আধাৰশিলা স্থাপন কৰে।

আজিৰ এই অনুষ্ঠানত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰেণুপমা ৰাজখোৱা, ৰূপজ্যোতি কুৰ্মী, ভাস্কৰজ্যোতি বৰুৱা, যোৰহাটৰ উপায়ুক্ত অশোক বৰ্মন, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ ৰীতা শৰ্মা, অইল ইণ্ডিয়া লিমিটেডৰ বেচিন মেনেজাৰ মানস শৰ্মাও উপস্থিত আছিল।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে যোৰহাটৰ টিয়কৰ কালিয়াপানীস্থিত আউনীআটী সত্ৰত প্ৰস্তাৱিত আউনীআটী বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আউনীআটী সত্ৰই আধ্যাত্মিকতাবাদ আৰু নৈতিক শিক্ষাৰ এক গৌৰৱময় ঐতিহ্য বহন কৰি আহিছে। প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনে সময়োপযোগী শিক্ষাৰে সমাজৰ বাবে নৈতিক আৰু আধ্যাত্মিকভাৱে শক্তিশালী নাগৰিক গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাৰতীয় সভ্যতা সদায়ে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে সমৃদ্ধ হৈ আহিছে বুলি উল্লেখ কৰি নতুন বিশ্ববিদ্যালয়খনেও জ্ঞান অন্বেষণৰ এই চিৰন্তন যাত্ৰা অব্যাহত ৰাখিব বুলি তেওঁ আশা ব্যক্ত কৰে।

উচ্চ শিক্ষা গ্ৰহণৰ বাবে যোৱা শিক্ষাৰ্থীসকলে আধাতে শিক্ষানুষ্ঠান এৰাৰ প্ৰৱণতা অতি উচ্চ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই প্ৰৱণতা হ্ৰাস কৰাৰ বাবে ৰাজ্যখনত আৰু অধিক বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰিব লাগিব। তেওঁ লগতে অৱগত কৰে যে এই অভাৱ পূৰণৰ বাবে ৰাজ্য চৰকাৰে কেইবাখনো মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ সিদ্ধান্ত লৈছে আৰু আউনীআটী বিশ্ববিদ্যালয়েও ৰাজ্যখনত উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৱিহণা যোগাব পাৰিব।

মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয়খনৰ বাবে প্ৰাৰম্ভিকভাৱে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰাৰ লগতে ভৱিষ্যতেও প্ৰয়োজনীয় সহযোগিতা অব্যাহত ৰখাৰ আশ্বাস প্ৰদান কৰে।

অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰেণুপমা ৰাজখোৱা, ৰূপজ্যোতি কুৰ্মী, ভাস্কৰজ্যোতি বৰুৱা, আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীও উপস্থিত থাকে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি যোৰহাটৰ হোলোঙাপাৰস্থিত মহাবীৰ লাচিত বৰফুকনৰ মৈদাম পৰিদৰ্শন কৰি বীৰগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ মৈদামৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে ১ কোটি টকাৰ অনুদানো ঘোষণা কৰে।

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

ইয়াৰ পূৰ্বে আজি পুৱা মুখ্যমন্ত্ৰীয়ে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰ সৈতে যোৰহাট আৰৰ্ত ভৱনত এখন বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে পাৰস্পৰিক স্বাৰ্থজড়িত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰে।

***স্বাঃডেঃ/প্ৰঃকুঃবঃ***

**২১-১১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in